(Spread Ef... ) দুটা ব্যাখ্যা কৰিছে। তলত তেখেতৰ এই দুই ধাৰণা আলোচনা কৰা হ'ল।

(a) **প্ৰশ্চাৎমুখী পৰিণাম** (Back-wash effects)ঃ মিৰ্ডলৰ মতে এটা অঞ্চল বা এখন দেশৰ অৰ্থনৈতিক উন্নয়নে অন্য এটা অঞ্চল বা অন্য এখন দেশৰ অৰ্থনৈতিক উন্নয়নত যদি বাধা প্ৰদান কৰে তেতিয়া তাক প্ৰশ্চাৎমুখী পৰিমাণ বুলি কোৱা হয়। প্ৰব্ৰজন, মূলধনৰ বহিৰ্প্ৰবাহ, ডাম্পিং আদি হ'ল প্ৰশ্চাৎমুখী পৰিণামৰ উদাহৰণ। অনুন্নত দেশৰ ক্ষেত্ৰত আন্তৰ্জাতিক বাণিজ্যই সবল ৰূপত পশ্চাৎমুখী পৰিণাম আৰু দুৰ্বল ৰূপত সম্প্ৰসাৰিত পৰিণামৰ সূচনা কৰে।

(i) **আঞ্চলিক বৈষম্যতা** (Regional Disparity)ঃ মিৰ্ডলৰ মতে বাণিজ্যই এখন দেশৰ ভিতৰতে বিভিন্ন অঞ্চলৰ মাজত আঞ্চলিক বৈষম্যতাৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ কাৰণ বাণিজ্যই কোনো নিৰ্দ্দিষ্ট অঞ্চলত উন্নয়ন প্ৰক্ৰিয়া কেন্দ্ৰীভুত কৰি দেশৰ আন অঞ্চলসমূহক সেই সুবিধাৰ পৰা বঞ্চিত কৰে। পুঁজিপতি সকলৰ মূল লক্ষ্য হ'ল মুনাফা সৰ্বাধিক কৰা। এই উদ্দেশ্য আগত ৰাখি দেশখনৰ যিবোৰ এলেকাত প্ৰত্যাশিক মুনাফা সৰ্বাধিক হোৱাৰ সম্ভাৱনা অধিক তেনে এলেকাত পুঁজিপতিসকলে অৰ্থনৈতিক কাৰ্য্যকলাপ সমূহৰ সম্প্ৰসাৰণ ঘটায়। গতিকে এনেবিলাক এলেকাত অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰ হয়। অন্যহাতেদি যিবোৰ এলেকাত প্ৰত্যাশিত মুনাফা কম হোৱাৰ সম্ভাৱনা থাকে তেনেবোৰ এলেকাত পুঁজিপতিসকলে অৰ্থনৈতিক কাৰ্য্যকলাপ সমূহৰ সম্প্ৰসাৰণ নঘটায়। ফলত তেনে এলেকাত উন্নয়নৰ গতি অতিশয় কম হয়। গতিকে পুঁজিবাদী মুক্ত বজাৰ অৰ্থনীতিৰ অনুসৰণে আঞ্চলিক বৈষমতাৰ সৃষ্টি কৰে। অৰ্থনীতিবিদ মিৰ্ডলে মত পোষণ কৰে যে উন্নয়নশীল অৰ্থনীতিৰ বজাৰ ব্যৱস্থাক কোনো বাধা আৰোপ কৰাকৈ উদ্যোগিক উৎপাদন, বাণিজ্য, বেংক সেৱা, বীমা, সামগ্ৰীৰ ক্ৰয়-

বিক্রয় আদি মুক্তভাৱে হ'বলৈ এৰি দিলে উৎপাদনৰ পৰিমাণ অত্যাধিক ভাৱে বৃদ্ধি পাব। বিজ্ঞান, কলা, সাহিত্য, শিক্ষা, সংস্কৃতি আদি সমূহ কিছুমান এলেকাত থুপ খাই পৰিব আৰু সমাজৰ বাকীসমূহ এলেকা সদায়েই পিচপৰি ৰ'ব। এনেদৰেই দেশত আঞ্চলিক বৈষম্যৰ সৃষ্টি হ'ব। আঞ্চলিক বৈষম্যতাই কিছুমান অঞ্চলক শোষণ কৰি কম সংখ্যক এলেকাৰ উন্নয়ন ঘটাই আৰু বাকী অঞ্চল সমূহ শোষিত হৈ পিছ পৰি ৰয়।

(ii) **প্ৰব্ৰজন, মূলধন প্ৰৱাহ আৰু বাণিজ্যৰ পশ্চাৎমুখী পৰিণাম** (Backwash Effects of Migration, Movement and trade) ঃ কোনো এখন দেশত যেতিয়া আৰ্থিক দিশত আঞ্চলিক বৈষম্যৰ সৃষ্টি হয় তেতিয়া দেশখনত উন্নত অঞ্চল আৰু অনুন্নত অঞ্চল এই দুই ধৰণৰ অঞ্চলৰ সৃষ্টি হয়। উন্নত অঞ্চল এটাই অনুন্নত অঞ্চলৰ শিক্ষিত দক্ষতাসম্পন্ন, সমৰ্থবান ব্যক্তিসকলক আকৰ্ষণ কৰে। দক্ষ, পাৰদৰ্শী, কৰ্মক্ষম লোকসকলৰ বহিৰ্গমনে অনুন্নত অঞ্চলসমূহক অধিক অনুন্নত হোৱাত অৰিহণা যোগায়।

দ্বিতীয়তে মুক্ত বজাৰ ব্যৱস্থাৰ ফলস্বৰূপে অনুন্নত অঞ্চল সমূহৰ পৰা উন্নত অঞ্চল সমূহত মূলধনৰ প্ৰৱাহ ঘটে। ইয়াৰ কাৰণ উন্নত অঞ্চল সমূহত মূলধন বিনিয়োজনৰ প্ৰতিদান অধিক হোৱাৰ লগতে মূলধনে অধিক নিৰাপত্তা লাভ কৰে। ফলত অনুন্নত অঞ্চলৰ সঞ্চিত পুঁজি উন্নত অঞ্চললৈ সঞ্চালন হোৱাত দুই প্ৰকাৰ অঞ্চলৰ মাজত আৰ্থিক বৈষম্যতাই দেখা দিয়ে।

তৃতীয়তে অনুন্নত দেশবোৰত আৰ্থিক বৈষম্যতা সৃষ্টি হোৱাৰ অন্য এটা কাৰণ হ'ল বাণিজ্য. মুক্ত প্ৰতিযোগিতামুলক বজাৰ ব্যৱস্থা বিদ্যমান অৱস্থাত উন্নত অঞ্চল সমূহৰ লগত অনুন্নত অঞ্চল সমূহে ফেৰ মাৰিব নোৱাৰে। ইয়াৰ কাৰণ, প্ৰতিযোগিতা মূলক বজাৰ ব্যৱস্থাত উন্নত অঞ্চলে ব্যৱসায়ীক দিশত সদায়েই সফলতা আৰু অনুন্নত অঞ্চল সমূহে বিফলতাৰ সন্মুখীন হয়। অনুন্নত অঞ্চল সমূহত বিদ্যমান আওঁপুৰণী উৎপাদন ব্যৱস্থা, উৎপাদনী কৌশলৰ নৱ প্ৰযুক্তিৰ অভাৱ আৰু আন কিছুমান অনা আৰ্থিক কাৰকে উদ্যোগীকৰণৰ দিশত হতাশাৰ সৃষ্টি কৰে। গতিকে উৎপাদিকা শক্তিও নিম্ন হৈ থাকে। কিন্তু উদ্যোগ প্ৰধান অঞ্চল সমূহত শিক্ষা, স্বাস্থ্য, শক্তি, যাতায়ত, শ্ৰমিকৰ দক্ষতা, উৎপাদনীয় কৌশল সকলো দিশতে আগবঢ়া হোৱাত উৎপাদিকা শক্তিও বেছি হয়। মিৰ্ডলৰ মতে এনেবিলাক কাৰক মাথোন আঞ্চলিক বৈষম্যতাৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়।

উন্নত আৰু উন্নয়নশীল দেশৰ আৰ্থিক বৈষম্যতাৰ একেবোৰ কাৰকৰ বাবেই সম্ভৱ হয়। মাথোন বৈষম্যতা মাত্ৰাহে পৃথক হয়।

(b) **সম্প্ৰসাৰণমুখী পৰিণাম** (Spread Effect) ঃ অধ্যাপক গাৰ্ণাৰ মিৰ্ডলৰ মতে কেতিয়াবা কেতিয়াবা কোনো এটা অঞ্চলৰ বিকাশে আন আন অঞ্চলৰ বিকাশত অনুকুল প্ৰভাৱ পেলাব পাৰে। উদাহৰণ স্বৰূপে এটা অঞ্চলত উদ্যোগৰ সম্প্ৰসাৰণৰ লগে লগে অঞ্চলটোত ৰাষ্টা-পদূলি, ঘৰ-দুৱাৰ, শিক্ষানুষ্ঠান, চিকিৎসালয়, সামগ্ৰীৰ চাহিদা, বজাৰ ব্যৱস্থা, প্ৰযুক্তি বিদ্যা ইত্যাদি সকলো দিশতে উন্নয়ন সম্প্ৰসাৰণ ঘটে। ইয়াৰ ফলত দাতি কাষৰীয়া এলেকাবোৰতো ইয়াৰ প্ৰভাৱ পৰি সিবিলাকৰ উন্নয়ন আৰু বিকাশ ত্বৰান্বিত হ'ব। এনে হোৱাৰ ফলত দেশ এখনৰ অঞ্চলসমূহৰ মাজত থকা আৰ্থিক বৈষম্য হ্ৰাস পাব। মিৰ্ডলে বিশ্বাস কৰিছিল যে অনুন্নত দেশ সমূহত সম্প্ৰসাৰণমূখী পৰিণামতকৈ পশ্চাৎমুখী পৰিণাম আৰু আঞ্চলিক বৈষম্যতাক সমতালৈ আনিব নোৱাৰে। কিন্তু উন্নত দেশবোৰত সম্প্ৰসাৰণমুখী পৰিণাম পশ্চাৎমুখী পৰিণামতকৈ অধিক শক্তিশালী হোৱাত এনে দেশত আৰ্থিক বৈষম্য কম হয় আৰু সমতাপূৰ্ণ অৰ্থনৈতিক উন্নয়ন সম্ভৱ হয়।

**2.7.2.সম্প্ৰসাৰণমুখী বনাম পশ্চাৎমুখী পৰিণাম** (Spread Effect Vs Backwash Effect) ঃ অধ্যাপক মিৰ্ডলৰ মতে সম্প্ৰসাৰণমুখী আৰু পশ্চাৎমুখী পৰিণামৰ মাজত সমতা ৰক্ষা কৰিব পৰা নেযায়। ইয়াৰ প্ৰধান কাৰণ দুটা। সেইয়া হ'ল -

(১) দুখীয়া দেশসমূহত আঞ্চলিক বৈষম্যৰ পৰিমাণ ধনী দেশতকৈ বহুত বেছি।

(২) দুখীয়া দেশ সমূহত আঞ্চলিক বৈষম্য দিনক দিনে বৃদ্ধি পায় কিন্তু ধনী দেশত আঞ্চলিক বৈষম্য দিনক দিনে হ্ৰাস পায়।